
গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ



অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ

সোণাৰি মহাবিদ্যালয়

১৯ এপ্ৰিল, ২০২২ (অষ্টম বছৰ)

01 AA-05

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা ঃ ৮

অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
১৯ এপ্ৰিল, ২০২২ ( অষ্টম বছৰ)

# 'আধাৰ', ২০২২ বৰ্ষৰ সম্পাদনা সমিতি

(গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা)

উপদেষ্টা ঃ

ড° ৰীতা দত্ত

ড° ৰঘুনাথ কাগ্যুং (বিভাগীয় প্ৰধান)

অধ্যাপিকা পদ্মকুমাৰী গগৈ

অধ্যাপিকা ৰেখামণি গগৈ

অধ্যাপিকা কেশৰী ভূঞা

অধ্যাপক বিদ্যাৰ্থ বৰা

## অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

### অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

### ২০২১-২০২২ বৰ্ষত ৰূপায়ন কৰা সৃষ্টিশীল আৰু অন্যান্য কৰ্মৰাজি

১) সাহিত্যম্ ঃ সাহিত্য বিষয়ক প্ৰাচীৰ পত্ৰিকা
প্ৰথম সংখ্যা - মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰকাশিত
দ্বিতীয় সংখ্যা - শিক্ষক দিৱস উপলক্ষে প্ৰকাশিত

২) 'আধাৰ' ঃ গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক- বাৰ্ষিক পত্ৰিকা

৩) দৈনিক লেখা ঃ দৈনিক হাতে লিখা সাহিত্য আলোচনী

৪) বতৰা ঃ মাহেকীয়া দেৱাল খবৰ কাকত (মুঠ ১২ টা সংখ্যা)

৫) বিহু আদৰণি ঃ বহাগ বিহুটি আদৰণি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা সৃষ্টিশীল অনুষ্ঠান।

৬) অসমীয়া কেলেণ্ডাৰ ঃ বিহু আদৰণি অনুষ্ঠানত প্ৰকাশ কৰা অসমীয়া কেলেণ্ডাৰ

## অধ্যক্ষৰ একলম



সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগৰ দ্বাৰা ২০১২ চনৰ পৰাই 'আধাৰ' নামৰ এখন বাৰ্ষিক আলোচনী প্ৰকাশ কৰি আহিছে। মাজতে দুটামান বছৰ কভিড পৰিস্থিতিৰি বাবে প্ৰকাশ কৰা নাছিল যদিও এই বছৰ (নৱম সংখ্যা) পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰিছে।

মহাবিদ্যালয় পৰ্যায়ত এটা বিভাগৰ দ্বাৰা আলোচনী এখন প্ৰকাশ হৈ থকাটোৱে যথেষ্ট তাৎপৰ্য বহন কৰে। কাৰণ, ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশত এনে আলোচনীয়ে ইন্ধনৰ ভূমিকা গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে এনে আলোচনীতে সাহিত্যিক জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত প্ৰতিষ্ঠিত সাহিত্যিক হয়গৈ।

অকল ছাত্ৰ-ছাত্ৰীয়ে নহয় - মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও এনে আলোচনীত মূল্যৱান লেখা প্ৰকাশ কৰি স্ব-প্ৰতিভা প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব পাৰে।

সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশ কৰিবলৈ লোৱা 'আধাৰ' সাহিত্য চৰ্চাৰ এক মঞ্চ হওক - তাৰেই কামনা কৰিলোঁ।

(signature) 5/8/22

(ড° বিমল চন্দ্ৰ গগৈ)
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়, সোণাৰি

# বিভাগীয় প্ৰধানৰ একাষাৰ

সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠাকালৰেপৰা ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ কাৰণে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি আহিছে। ১৮ জুলাই ২০১১ তাৰিখ সোমবাৰে দিনৰ ১১ বজাত এই যাত্ৰাক অধিক ত্বৰান্বিত কৰাৰ মানসেৰে 'অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়' নামৰ এটা বৌদ্ধিক অনুষ্ঠান অসমীয়া বিভাগৰ শিক্ষক-ছাত্ৰৰ সমন্বিত প্ৰচেষ্টাত প্ৰতিষ্ঠা কৰা হয়। প্ৰতিষ্ঠাকালৰেপৰা এই অনুষ্ঠানটিৰ জৰিয়তে বহু কাৰ্যসূচী ৰূপায়ন কৰি অহা হৈছে। প্ৰতিষ্ঠাৰ বছৰৰে পৰা অসমীয়া বিভাগে বছৰটোত কেইবাখনো আলোচনী প্ৰকাশ কৰি আহিছে; সেইবোৰ হ'ল - **'দৈনিক লেখা'** (দৈনিক দেৱাল পত্ৰিকা), **'বতৰা'**, (সাময়িক বা-বাতৰি ভিত্তিক মাহেকীয়া পত্ৰিকা), **'সাহিত্যম্'** (দেৱাল পত্ৰিকা) 'সাহিত্যম্'খন বাৰ্ষিক দুটা সংখ্যা প্ৰকাশ কৰে - এটা সংখ্যা মহাবিদ্যালয় সপ্তাহ উপলক্ষে আৰু আনটো সংখ্যা শিক্ষক দিৱস উপলক্ষে।

এই আলোচনীকেইখনৰ বাহিৰেও প্ৰতিষ্ঠাৰ দ্বিতীয় বছৰৰ পৰা অৰ্থাৎ, ২০১২ বৰ্ষৰ পৰা 'আলোচনা চক্ৰ আৰু ৰঙালী বিহু আদৰণি' নামৰ এটা অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। বছৰৰ লেখেৰে এই অনুষ্ঠানটি এই বছৰ (২০২২) একাদশ বৰ্ষত ভৰি দিছে যদিও মাজতে কভিড পৰিস্থিতিৰ কাৰণে তিনিটা বছৰ অনুষ্ঠিত কৰিব পৰা নগ'ল। এই দিশৰ পৰা এই বছৰ 'আলোচনা চক্ৰ আৰু ৰঙালী বিহু আদৰণি' অনুষ্ঠানটি অষ্টম বছৰত ভৰি দিছে। প্ৰতিষ্ঠাৰ দ্বিতীয় বছৰৰ পৰা অৰ্থাৎ, ২০১২ বৰ্ষৰ পৰা আৰু এখন আলোচনীও প্ৰকাশৰ ব্যৱস্থা কৰা হয়। আলোচনীখনৰ নামটো ৰখা হ'ল **'আধাৰ'**। এই আলোচনীখন বাৰ্ষিক প্ৰকাশ হয় আছে। 'আধাৰ'খনো অষ্টম বছৰত ভৰি দিছে।

আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত গুৰুত্ব প্ৰদান কৰি আহিছে। 'আধাৰত' লেখক হিচাপে আত্মপ্ৰকাশ কৰি ভালেমান ছাত্ৰ-ছাত্ৰী আজি প্ৰতিষ্ঠিত লেখক হিচাপে চিনাকি দিবলৈ সক্ষম হৈছে - যিটো আমাৰ কাৰণে আনন্দদায়ক বতৰা।

**ড০ ৰঘুনাথ কাগ্যুং**
**মুৰব্বী**, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়, সোণাৰি
১৯ এপ্ৰিল, ২০২২

# নতুন শিক্ষানীতি আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত

ড° ৰীতা দত্ত
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ

চৰকাৰে প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শ্ৰেণী পৰ্যন্ত এক প্ৰক্ৰিয়াৰে শিক্ষাৰ মানদণ্ড জুখিবলৈ গুণোৎসৱৰ ব্যৱস্থা কৰিছিল। আমি বহুতলোকে বৰ্হিমূল্যায়কৰ দায়িত্ব বৰ নিষ্ঠাৰে আৰু কষ্টেৰে পালন কৰিছিলোঁ। বহুত স্কুলৰ ভিতৰ চ'ৰাৰ আভাস পাইছিলোঁ। কণমানিহঁতৰ লগত বহুত আনন্দৰ সময় অতিবাহিত কৰি শৈশৱলৈ ঘূৰি যাবলৈ এটা সুযোগ পাইছিলোঁ। স্কুলবিলাকে প্ৰথমতে বৰ ভয় খাইছিল, আমিও খাইছিলোঁ। পিছে, কোনো ফিডবেক নেপালোঁ। বৰং স্কুল কিছুমানে সঁচা স্বৰূপটো দেখুৱাই দিয়াত মূল্যায়কক লৈ অসন্তুষ্ট হ'ল। কোনোৱে উষ্ম আদৰণি জনালে। আমি দেখুওৱাইছিলোঁ অলপ হ'লেও অনুদান বা সাহায্য স্কুলখনে পালেও পাওক আৰু স্কুল কিছুমানে মন্ত্ৰী, এম.এল.এ. অহাৰ পূৰ্বে টাপলি মাৰি ভগা বাটৰ প্ৰকৃত ৰূপটো লুকুৱাই থোৱাৰ দৰে নিজকে ঢাকিবলৈ চেষ্টা কৰিলে। সেইখিনিতেই বিপদ আহিল। কোনে কেনেধৰণৰ সাহায্য পালে আমাৰ জানিবৰ উপায় নাছিল। শুনিছোঁ, এইবাৰ বোলে আকৌ গুণোৎসৱ পাতিব। নতুন কিবা পৰীক্ষা-নিৰীক্ষা চলাব। মোৰ অধীনত থকা স্কুল কেইখনে ক্ৰমে দুবছৰত - এখনে এ প্লাছ, দুখনে বি আৰু এখনে চি গ্ৰেড পালে। এই কৰ্মত সেইসময়ত নিয়োজিত হোৱা বহুত লোকৰ নিজৰ নিজৰ কৰ্মস্থলীত কাম ক্ষতি হ'ল। অফিচৰ কাম মানেই দেশৰ উন্নয়ন।

এইবাৰ লোক সভা ইলেকচনত পুৰুষৰ সমানে নাৰীয়েও বিশিষ্ট ভূমিকা পালন কৰিলে। অচল হৈ গ'ল স্কুল-কলেজত পাঠদান আৰু পৰীক্ষা। এফালে শিক্ষা ব্যৱস্থাৰ উন্নতি আৰু আনফালে অচলাৱস্থা। অৱশ্যে আমাৰ সিমান বেয়া লগাও নাছিল। কিন্তু চিমেষ্টাৰ পদ্ধতিত এদিন ক্ষতি হ'লেও বিকল হৈ যায় শিক্ষাপদ্ধতি। আমি গতানুগতিকতাৰ পৰা আতৰি আহি বহুত ন ন অভিজ্ঞতা লাভ কৰিছিলোঁ। প্ৰশাসনৰ লোকসকলৰ লগত চা-চিনাকী হৈছিলোঁ।

যি বুজিলোঁ, শিক্ষকৰ কাম এইবোৰ নহয়। প্ৰিজাইডিং অফিচাৰো হ'ব লাগে, ভি.ভি.পেড মেচিনৰ টেকনিকেল কথাও জানিব লাগে, খুলিমেলি চাবও লাগে। মাজে মাজে নিজকে মেকানিক-মেকানিক আকৌ কেতিয়াবা ইঞ্জিনিয়াৰ আৰু কেতিয়াবা নিজকে অফিচাৰ-অফিচাৰ যেনো লাগি গৈছিল। নিৰ্বাচন এক বৃহৎ ব্যাপ্যাৰ, নেদেখিলে বিশ্বাস নহয়। শিক্ষকসকলে বিনা আপত্তিৰে এইবিলাক দায়িত্ব পালন কৰে। খোৱাৰ সুন্দৰ ব্যৱস্থা থকাৰ পিছতো গোটেই ৰাতি একো খাবলৈকে সময় নোপোৱাকৈ আমি বহুতে কাম কৰিছিলোঁ। সেইসময়ত মোৰ পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' প্ৰহসনখনলৈহে বাৰে বাৰে মনত পৰিছিল। দেহি ঐ। অবৈতনিক ভোগমনৰ অলপ লটিঘটি হৈছিলনে। ঠিক আমাৰদৰেই।

এইবাৰ কলেজবোৰত আকৌ শিক্ষানীতি সলনি হৈছে। মোৰ জীৱনত এতিয়ালৈকে এল.পি., এম.ই., টি.ডি.চি., বি.এ. চিমেষ্টাৰ, চি.বি.চি.এচ.ৰ পিছত ২০২২ চনৰ নতুন শিক্ষানীতি আহিছে। নতুন পাঠ্যক্ৰম আহিয়েই আছে। লাভালাভ চিন্তনীয় বিষয়। এই সময়ত প্ৰয়োজন আছিল স্কিল (Skill) ডেভেলপমেণ্ট শিক্ষা ব্যৱস্থা। এই প্ৰয়োজন নুই কৰিব নোৱাৰি। সংস্থাপনৰ সুবিধা থকা ন ন বিষয় অহাটো আমি বিচাৰো। কেম্পাচ ইন্টাৰভিউ হওক। নতুন বিষয় অধ্যয়নৰ স্পৃহা বঢ়াওক।

মহাত্মা গান্ধীয়ে কৈছিল ...

"By education I mean an all-round drawing out of the best in child and man-body, mind and spirit. Literacy is not the end of education or even the beginning."

কথাযাৰ আমাৰ দেউতা প্ৰয়াত ইন্দ্ৰকান্ত দত্তদেৱে বুজিছিল। দেউতাৰ দৰে বহুতৰ ঘৰতেই এই ফৰ্মূলাটো নিশ্চয় প্ৰয়োগ হৈছে। কথা হ'ল, পৰিৱেশ। কম সুবিধাত দেউতা-মাই আমাক যিমান আগবঢ়াই দিলে বেছি সুবিধাত আমি বাৰু আমাৰ সন্তানক সিমান আগবঢ়াব পাৰিছোনে। নাই পৰা ! কাৰণ সিহঁত আমাতকৈ আন কিছুমান দিশত বহুত আগবঢ়া। সীমিত সময়ত অধিক তথ্য লাভ কৰাৰ উন্নত মানৰ আহিলা সিহঁতৰ হাতত আছে। হাতৰ মুঠিত সিহঁতে পৃথিৱী লৈ ফুৰিছে। স্বয়ং কৃষ্ণ হাৰি যোৱাৰ যেন যুগ!! তেৰোঁচোন লৈ ফুৰিছিল মুখৰ ভিতৰত পৃথিৱী!! কনচেপ্টটো তাৰ পৰাই অহা নাইতো। "জোনবাইৰ দেশতে



সাজিম গাঁও এখনি, তৰায়ে জ্বলাব চাকি, চাকি, চৰায়ে জ্বলাব চাকি।" গোৱাৰ পিছত জোনবাইত বসতিৰ স্থান বিচৰাৰ কনচেপ্ট অহাৰ দৰে।

আজিৰ প্ৰজন্মই পঢ়ি বা দেখি বুজিছে। ঠেকি শিকা নাই। সেইফালৰ পৰা শিক্ষা সিহঁতৰ আধৰুৱা। এইবোৰ পৰিৱেশৰ প্ৰভাৱ। লগতে লাগিব জন্মগত মেধাশক্তি। সমান্তৰালভাৱে আগবাঢ়িব লাগিব ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা। গান, নাচ, ভায়লিনবাদন, গীতাৰ, তবলা, খেলা-ধুলা ইত্যাদি সকলোতে নোৱাৰিলেও কিবা নহয় কিবা এটাত ৰাপ থাকিবই লাগিব। চৰকাৰে খেলাধূলাত যেনেদৰে গুৰুত্ব দিছে সেয়া কিন্তু প্ৰশংসনীয়। কাৰণ এয়া প্ৰতিযোগিতাৰ যুগ। মহাত্মা গান্ধীয়ে ইয়াকেই কোৱা নাইনে? নজনাক জনাৰ আগ্ৰহ লাগিব, অসীম ধৈৰ্য্য অথবা অধ্যৱসায় লাগিব। আমি জানো প্ৰকৃতাৰ্থত নিজৰ দেশত সেৰা আগবঢ়াব পৰাকৈ উপযুক্ত পৰিৱেশ দিব পাৰিছোঁ। উদ্যোগৰ অভাৱত ভালৰো ভাল ল'ৰা-ছোৱালীবিলাকক বাহিৰলৈ পঠিয়াই দিছোঁ। সময় আহিছিল সিহঁতক ধৰি ৰখাৰ। কোনোবা পৰিয়ালে নিজাকৈ পৰিৱেশ দিব পাৰিছে যদি কোনোবাই পৰা নাই। কাৰোবাৰ সুবিধা আছে কাৰোবাৰ নাই। কাৰোবাৰ মন আছে কিন্তু ধন নাই আৰু বহুতৰ গাইড কৰা মানুহো নাই। কিছুমান দেখিছোঁ পিতৃ-মাতৃৰ তত্বাৱধানত মেট্ৰিক-হায়াৰ চেকেণ্ডাৰিত ষ্টেণ্ড পৰ্যন্ত কৰিছে, কিন্তু চুবুৰীয়াক মাতিবলৈ শিকা নাই। এই শিক্ষাও আধৰুৱা। মূল্যবোধৰ শিক্ষাও আমিয়েই দিব লাগিব।

নতুন শিক্ষানীতিত উঠি অহা প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত হ'লেহে এই নীতি সফল হ'ব। দেশ দুখোজ আগুৱাই যাব।

□□□

# পেৰেলেলিজ্‌ম বা সমান্তৰালবাদ

ৰেখামণি গঁগৈ
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

'কবিতা পঢ়ি পাহৰিব পাৰি
পাহৰিব পাৰি কিছু দুখ আনকি গ্লানি।
কবিতা জীৱনৰ অন্য বিষয়-কুশল, অন্য প্ৰত্যাশা শব্দ সংগ ভাঙি তিৰবিৰ
বন তুলসীৰ উজাৰি লুকুৱা সুগন্ধি দীঘল উপত্যকা.... (হীৰেণ ভট্টাচাৰ্য : নতুন পাঠ)

কবিতাৰ শৈলী পৰ্যালোচনাৰ অন্যতম পদ্ধতি হ'ল 'পেৰেলেলিজ্‌ম'। যি পদ্ধতিয়ে কবিতাৰ শৈলীৰ ভাষিক নীতি-নিয়ম ব্যৱহাৰৰ এক অতিৰিক্ত সচেতনতাক বুজায়। পূৰ্বে উল্লিখিত কবিতাৰ এক সজ্জাৰ সৃষ্টি কৰে সেই সজ্জাটো এক প্ৰকাৰৰ পেৰেলেলিজ্‌ম।

ক) 'প' ধ্বনিৰ পুনৰাবৃত্তি ঃ পঢ়ি পাহৰিৱ পাৰি /পাহৰিব পাৰি
খ) 'শ/স' ধ্বনিৰ পুনৰাবৃত্তি ঃ বিষয় - কুশল অন্য প্ৰত্যাশা শব্দ সংগ...

উল্লেখযোগ্য যে যান্ত্ৰিক পুনৰাবৃত্তি আৰু সমান্তৰালবাদ একেই নহয় যেতিয়া কোনো ধ্বনিৰ পুনৰাবৃত্তিয়ে কবিতাত এটা সজ্জাৰ সৃষ্টি কৰে। সেই সজ্জাটো একপ্ৰকাৰৰ সমান্তৰালবাদ। ওপৰৰ 'প' ধ্বনিটোৱে কাব্যিকতাৰ ৰহণ ঢালি সমান্তৰালবাদৰ সৃষ্টি কৰিছে। ঠিক তেনেদৰে,

'তেজ দিম তেল নিদিওঁ
তেজ দিম তেল নিদিওঁ
ইনকিলাব জিন্দাবাদ।
ইনকিলাব জিন্দাবাদ।'

কথাখিনিত এটি পুনৰাবৃত্তি আছে। এই পুনৰাবৃত্তি অত্যন্ত যান্ত্ৰিক। এই পুনৰাবৃত্তিত এটা নান্দনিক সজ্জা নাই। গতিকে সমান্তৰালবাদ বুলিব নোৱাৰি। সমান্তৰালবাদৰ বাবে প্ৰয়োজন এক বৈসাদৃশ্যৰ সজ্জা। ধ্বনি যদিও অৰ্থহীন, কিন্তু ইয়াৰ প্ৰয়োগৰ নিপুনতাই সাহিত্যবস্তুক বিশেষ অৰ্থপূৰ্ণ কৰি তোলে। যথা,



গুৰু ঘন ঘোষ ঘৰিষণ গৰ্জন
শ্ৰৱণে জনময় শংকা
ধীৰ বীৰ শূৰ শেখৰ ৰাঘৱ
ৰাৱণ তুৱাপৰি জাম্পে
সুৰ নৰ কিন্নৰ ফণধৰ থৰ থৰ
মহীধৰ তৰসি প্ৰকম্পে।। (শংকৰদেৱ : বৰগীত)

এই কবিতাটিত প্ৰয়োগ হোৱা মহাপ্ৰাণ ধ্বনিয়ে ভাৱৰ প্ৰকাশ কৰাৰ লগতে শ্ৰুতিমধুৰ কৰি তুলিছে।

কেতিয়াবা এটা ধ্বনিয়েও ভাৱৰ চিত্ৰময় ৰূপ প্ৰকাশ কৰিব পাৰে। যথা,

মোৰ জুটা ঝৰি ঝৰি
নিজৰি নিজৰি বয়
নিগৰি নিগৰি
অবিৰল কল্ কল্ (কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী)

সমান্তৰালবাদ মূলত ঃ সমতাৰ কথা। দুটা বা অধিক ধ্বনি অথবা গাঁথনিৰ মাজত এক বাহ্যিক সম্পৰ্কৰ অস্তিত্বৰ সূচনা কৰে।

❑❑❑

# কার্বিসকলৰ অয়-অলংকাৰ আৰু সাজ-পাৰ

কেশৰী ভূঞা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

কার্বি জনগোষ্ঠীৰ লোকসকল অসমৰ অন্যতম আদিবাসী জনগোষ্ঠী। কার্বি আংলং জিলাৰ পাহাৰীয়া অঞ্চলৰ উপৰিও ভৈয়ামৰ নগাঁও, দৰং, শিৱসাগৰ জিলাতো বসবাস কৰি আছে। কার্বি সকলৰ মূল জীৱিকা কৃষি। সেয়েহে কৃষিৰ লগত সংগতি ৰাখিয়ে তেওঁলোকে কিছুমান উৎসৱ পালন কৰে।

কার্বিসকল অসমৰ অতি প্ৰাচীন জাতি। এওঁলোকক মিকিৰ বুলিও কোৱা হয়। অসমৰ পূৱ সীমান্তৰ পর্বতমালাৰ কোনোবা এটা, যাক কাবিসকলৰ আদি পুৰুষসকলে 'নং পিলাৰ' বুলিছিল। সেই নং পিলাৰ পাহাৰৰ পৰাই তেওঁলোকৰ উপৰি পুৰুষসকল অসমলৈ আহিছিল বুলি কার্বিসকলে বিশ্বাস কৰে।

**কার্বিসকলৰ অয়-অলংকাৰ ঃ**

কার্বি মহিলাসকলক সাধাৰণতে সোণৰ গহণা পিন্ধিবলৈ অনুমতি দিয়া হোৱা নাছিল। কেৱল পুৰুষ সকলেহে স্বর্ণালংকাৰ পৰিধান কৰিব পাৰিছিল। মহিলাসকলে পুৰুষৰ তুলনাত অধিক পৰিমাণে অলংকাৰ পৰিধান কৰে বাবে তেওঁলোকৰ গহণাত যথেষ্ট পৰিমাণে ৰূপ ব্যৱহাৰ হয়। কার্বি মহিলাসকলে কাণত পিন্ধা গহণাক ন থেংপি বুলি কোৱা হয়। ন থেংপিবোৰৰো বিভিন্ন প্ৰকাৰ আছে। থেংপি, আংৰং কাটেং বাই, আংৰং কাংচিম আদি। কার্বি পুৰুষেও কাণত অলংকাৰ পিন্ধে। পুৰুষে কাণত পিন্ধা অলংকাৰক ন'ৰিক বুলি কোৱা হয়।

কার্বিসকলে আঙুঠিক আৰনান বুলি কয়। কার্বি সমাজত সাধাৰণতে প্ৰচলিত কিছুমান আঙঠিৰ নাম হৈছে - আৰনান কে এত, আৰনান কেলক, ৰূপবন্দা, ছেৰবন্দা, ৰকাপাৰদন আৰনান আদি।

কার্বি মহিলাসকলে ডিঙিত পিন্ধা এপদ বিশিষ্ট ৰূপৰ গহণা হৈছে 'লেক'। ৰূপৰ মুদ্ৰা আৰু ৰংছেঙীয়া মণিৰে লেক তৈয়াৰ কৰা হয়। লেকবোৰক ছেৰ আলেক পংটিং, লে পেংখাৰা, লেক বংহম, লেক ৰাইকম, লেক জিঞ্জিৰি



আদি বিভিন্ন নামেৰে জনা যায়। পুৰুষসকলে পৰিধান কৰা লেকৰ পৰম্পৰাগত নাম হৈছে - লেকৰোৰে, কেলছবাই আৰু লেক মান্দুলি।

কার্বি মহিলাই ব্ৰেচলেট পৰিধান কৰে, ইয়াক ৰই বুলি কোৱা হয়।

**কার্বিসকলৰ সাজ-পাৰ ঃ**

অসমৰ জনগোষ্ঠীয় তিৰোতা সকলৰ সাজপাৰত সাংস্কৃতিক স্বকীয়তা পৰিলক্ষিত হয়। এওঁলোকৰ বয়ন শিল্প আৰু পিন্ধন-ওৰণ অতি উচ্চমানৰ। কার্বি জনগোষ্ঠীয় তিৰোতা সকলৰ সাজ-পাৰ সাধাৰণ যদিও নিজা সাংস্কৃতিক বৈশিষ্ট্যৰে জিলিকি আছে। কার্বি নাৰীৰ প্ৰধান সাজ হ'ল 'পিনি' (কলা বৰণীয়া মেখেলা) 'বানংকম ' (মেখেলাৰ ওপৰত পিন্ধা ফুলাম জৰি বা ফিটা), জিছ (বুকুত মৰা মেখনি) কোবাক (বাও ভৰিৰ কলাফুলত পৰাকৈ সো কান্ধত গাঁঠি মাৰি লোৱা চাদৰ) পেচেলং (তৰপ তৰপকৈ গাত জাপি লোৱা কাপোৰ)।

সময় গতিশীল। এই গতিশীল সময়ে সমাজলৈ পৰিৱৰ্তন আনে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাই মানুহৰ জীৱন ধাৰণৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়। সাংস্কৃতিক চিন্তৰ-চেতনাৰ আদান-প্ৰদান এই প্ৰভাৱৰ ফলতেই সংগঠিত হয়। বৰ্তমান সময়ত কার্বিসকলৰ অয়-অলংকাৰ আৰু সাজ-পাৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হয়। সেই প্ৰভাৱৰ ফলতে পুৰণি অয়-অলংকাৰ আৰু সাজ-পাৰৰ সলনি পশ্চিমীয়া বিভিন্ন দেশৰ বিভিন্ন অয়-অলংকাৰ আৰু সাজপাৰৰ প্ৰচলন হৈছে।

❑❑❑

# অনুভৱৰ দলিচাত সোণাৰুৰ হালধীয়া পৰশ

লুকুমণি চাংমাই
দ্বিতীয় ষাণ্মাসিক, অসমীয়াৰ বিভাগ

সেইদিনা আছিল ১ অক্টোবৰ ২০২১, মোৰ বাবে এটা বিশেষ দিন। বুকুত অযুত সপোন আৰু উৎসাহ, মনত কিছু ভয় আৰু উৎসুকতা লৈ আগবাঢ়িছিলোঁ হালধীয়া ফুলেৰে দলিচা পৰা স্বৰ্ণময় সোণাৰি মহাবিদ্যালয়লৈ। এই দেশত ভৰি দিয়েই এনে লাগিছিল যেন কোনোবা সেউজীয়া পৃথিৱীলৈহে আহিছোঁ। বিভিন্ন ফল-মূলৰ গছৰ লগতে বকুল, নাহৰ, কৃষ্ণচূড়া, দেৱদাৰু, সোণাৰু ইত্যাদি বিভিন্ন গছ-গছনিৰে পৰিৱেষ্টিত সোণাৰি মহাবিদ্যালয়ৰ সৌন্দৰ্য্য নয়নাভিৰাম। ইয়াৰ সুন্দৰতা আৰু গুণ-গৰিমা মই মোৰ কলমেৰে উপস্থাপন কৰাত অসমৰ্থ। যিয়ে এই সোণাৰুৰ দেশত প্ৰৱেশ কৰিব তেওঁৱ অন্তৰেহে অনুভৱ কৰিব পাৰিব।

জ্ঞানৰ পোহৰে জিলিকি থকা ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰত প্ৰথমবাৰ খোজ দিয়েই সুখ অনুভৱ কৰিছিলোঁ। প্ৰথম দিনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয় তথা কৰ্তৃপক্ষই মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন পৰামৰ্শদান সভা অনুষ্ঠিত কৰি আমাক অৰ্থাৎ নৱাগত সকলোকে মহাবিদ্যালয়ৰ সকলোবোৰ নিয়ম-শৃংখলা সুন্দৰভাৱে বুজাই দিলে।

প্ৰথমদিনা অলপ আচহুৱা লাগিছিল যদিও সহপাঠী সকলৰ লগত চিনাকি হোৱাৰ পিছত সকলোৰে লগত সহজ হৈ পৰিলোঁ বহুতৰ দৰে মইয়ো নিজৰ জীৱন গঢ়াৰ স্বাৰ্থতেই ঢপলিয়াই আহিছোঁ এই সোণাৰুৰ দেশলৈ, সোমাই পৰিলো সোণাৰিৰ আৱেগত। আগবাঢ়ি গৈছিলোঁ নিজৰ বিভাগীয় শ্ৰেণীকক্ষৰ দিশে তলসৰা বকুলৰ ওপৰেৰে। প্ৰথমদিনা ছাৰ-বাইদেউসকলে আমাৰ বিষয়সমূহৰ বিষয়ে বুজাই দিছিল; কিন্তু এজন ছাৰে আমাক প্ৰত্যেককে 'কলেজীয়া জীৱনৰ প্ৰথমটো দিন' শিৰোনামেৰে এক পৃষ্ঠাকৈ লিখি মনৰ ভাৱ প্ৰকাশ কৰিবলৈ কৈছিল। যিহেতু সেইদিনা ক্লাছৰ প্ৰথম দিন (৪/১০/২০২১), গতিকে যথেষ্ট ভয়-শংকাৰ মাজেৰেই কি লিখি জমা দিলো ক'ব নোৱাৰোঁ।



এনেকৈয়ে আৰম্ভ হ'ল কলেজীয়া জীৱন। অতি কম সময়তে শিক্ষাগুৰুসকলৰ লগতো সু-সম্পৰ্ক গঢ় লৈ উঠিল। লাহে লাহে বন্ধুবৰ্গৰ লগতো ঘনিষ্ঠ হৈ পৰিলো। নতুন পৰিৱেশত নিজকে খাপ খুৱাই সকলোৰে লগত বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই পৰিলো।

'ৰেগিং' নামৰ ভয়টো মোৰ মনতো আছিল। কিন্তু মোৰ সৌভাগ্য যে মই ইয়াৰ ৰোষত এদিনো নপৰিলোঁ। অৱশ্যে, বৰ্তমান প্ৰায় সকলো মহাবিদ্যালয়তেই ৰেগিং নিষিদ্ধ। ফলস্বৰূপে 'ৰেগিং'ৰ অনুভৱ বা অভিজ্ঞতা মোৰ নহ'ল। যি কি নহওক ভালেই হ'ল।

বৰ্তমান মই স্নাতক মহলাৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী। গতিকে এই মহাবিদ্যালত মোৰ ছমাহ পাৰ হৈছেহে মাত্ৰ। শাৰী শাৰীকৈ থকা সোণাৰু গছবোৰৰ অপৰূপ সৌন্দৰ্য্যৰ কাষতে থকা গ্ৰন্থাগাৰৰ সন্মুখত বাতৰি পঢ়াৰ আমেজে আমাক এক অনন্য আমোদ দিয়ে। ইয়াৰ প্ৰতিটো দিন হৃদয়ৰ নিভৃত কোণত আজীৱন সজীৱ হৈ থাকিব।

অৱশেষত, সোণাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু তথা সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ অনুভৱৰ সামান্য অথবা তেনেই নগণ্য আঁচডাল ইমানতে স্তব্ধ কৰিছোঁ।

❑❑❑

# জীৱনৰ লক্ষ্য নিৰ্ধাৰণ

ৰীতামণি বৰগোহাঁই
ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ

আচলতে আমি কিয় জীয়াই আছো, আমি কোন আৰু আমিনো কি হ'ব পাৰে বা বিচাৰো, কোন পথে বাট বুলিব লাগিব, এই সকলোবোৰ তথ্য বিশ্লেষণ কৰিলে দেখিবলৈ পাওঁ প্ৰথমে, ঘৰখনত, সমাজত আৰু পৃথিৱীখনত নিশ্চয় বহুতো প্ৰয়োজন আছে। গুণৰ অবিহনে পৃথিৱীত শৰীৰটোৰ কিবা অস্তিত্ব আছেনে? এই কথাখিনি ভাবি চালে নিশ্চয় উত্তৰ পোৱা যাব যে, জীৱশ্ৰেষ্ঠ মানুহ হিচাপে জন্ম লোৱাৰ পৰা নিশ্চয় অৰ্থবহ কাৰণ আছে। উদ্দেশ্য আছে। কাৰণ পৃথিৱীৰ প্ৰতিটো মানৱ জীৱনেই অমূল্য। আমি প্ৰত্যেকেই ভাবিব লাগিব লাগে যে কাইলৈ কিয় এই মূহুৰ্ত্তৰ পৰাই আমি আমাৰ নিজৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰা উচিত। কাৰণ প্ৰতিদিনেই মানুহৰ বাবে এটা নতুন জীৱন আৰু জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰা প্ৰয়োজন। নিজৰ সহজাত প্ৰতিভা আৰু অভিৰুচিৰ লগত সংগতি ৰাখি পুথিগত শিক্ষাৰ সহায়ত নিজৰ কৰ্মক্ষেত্ৰ বাচি লৈ কৃতকাৰ্য্য বা সফল হ'বলৈ কৰা চেষ্টা আৰু নৈতিক চৰিত্ৰ উৎকৰ্ষ সাধন কৰি জীৱনত সুখ, শান্তি, আনন্দ পাবলৈ আৰু আনক বিলাবলৈ কৰা চেষ্টা। লক্ষ্যহীন জীৱন বঠাহীন টুলুঙা নাঁৱৰ দৰে, লক্ষ্য নিৰ্ধাৰণ সু-পৰিকল্পিত নহ'লে হাজাৰ শ্ৰম কৰিলেও সি লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ হৈ পৰে। সেয়েহে অভিজ্ঞ লোকৰ সহায়লৈ নিজৰ কৰ্মদক্ষতা আৰু পাৰদৰ্শিতা অনুসৰি লক্ষ্যৰ এটা আৰ্হি প্ৰস্তুত কৰি উলিয়াব লাগে। জীৱনৰ লক্ষ্যৰ পূৰ্ণাংগ ৰূপ দিবলৈ প্ৰয়োজনীয় আৰু কষ্টসাধ্য গুণটোৱেই হৈছে ধৈৰ্য্য। ধৈৰ্য্যৰ লগতে নেৰানেপেৰা চেষ্টা আৰু সাহস। ধৈৰ্য্যশক্তি কোনো এটা কামত নেৰানেপেৰাকৈ লাগি থকাৰ মানসিকতাই গঢ় লয়। সাহসেই সিদ্ধিৰ মূল। সাহস নাথাকিলে প্ৰতিভাৰ বিকাশ নঘটে।

আকৌ সকলো কামৰে একোটা নিৰ্দিষ্ট সময় আছে। সময় অমূল্য ধন। জীৱনৰ সকলো বয়সতে সকলো কাম কৰিব নোৱাৰি। সময় এনেকুৱা বস্তু আমি যাক স্তব্ধ কৰিব নোৱাৰো। পৃথিৱীত যিমান সফল ব্যক্তি আছে তেওঁলোক



আনতকৈ পৃথক একো কাম নকৰে। একেবোৰ কামকে কৰে যদিও, বেলেগ প্ৰক্ৰিয়াৰে কৰে।

আমি সকলোৰে ভাগ্যক ধিয়াই বহি থাকিব নালাগে। ভাগ্যই আমাক পদে পদে বিমুখ কৰিব পাৰে কাৰণ শুই থকা ব্যক্তিজনৰ ভাগ্যও শুই থাকে। যি বহি থাকে তেওঁৰ ভাগ্যও বহি থাকে। যি দৌৰি থাকে তেওঁৰ ভাগ্যও দৌৰি থাকে। নিজৰ মাজত আস্থা ৰাখি কাম কৰিবলৈ শিকিব লাগে। কিয়নো প্ৰতিজন মানুহৰ নিজৰ ভৱিষ্যত গঢ় দিওঁতা কেৱল নিজে। আমি সকলোৰে দুৰ্বল আৰু কাপুৰুষ হ'ব নালাগে। কাৰণ কাপুৰুষ সকলে জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰিব নোৱাৰে।

❑❑❑

## সোণাৰি কলেজত ৰঙালী বিহু আদৰণী অনুষ্ঠান

বিশেষ বাৰ্তা, সোণাৰি, ২৪ এপ্ৰিল ঃ চৰাইদেউ জিলাৰ সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনৰ অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ উদ্যোগত অলপতে ষষ্ঠ বাৰ্ষিক বিহু আদৰণী অনুষ্ঠান অনুষ্ঠিত হয়। বাৰ্ষিক পত্ৰিকা 'আধাৰ' উন্মোচন কৰে প্ৰদীপ শৰ্মাই। ৰঘুনাথ কাগমুণ্ডে পৰিচালনা কৰা অনুষ্ঠানত হুঁচৰি পৰিৱেশন কৰাৰ লগতে দীৰ্ঘজ্যোতি দত্ত, প্ৰয়াসী গগৈ, মৌপিয়া গগৈ, [illegible]ম বৰপাত্ৰ গোহাঁই, নৰদীপ কোঁৱৰ, হীৰেন বৰগোহাঁই, লক্ষী দাস, শান্তনু [illegible]লাই, ললিত চাংমায়ে গীত-নৃত্য-কবিতা পৰিৱেশন কৰে। হাজী অতিমুদ্দিন [illegible]ন একাডেমীৰ সপ্তসুৰ চেমনীয়া হুঁচৰি দলে হুঁচৰি পৰিৱেশন কৰে।

# ব'হাগ বিহু ঃ সমন্বয়ৰ অন্য এক ৰূপ

নীলম নয়না বৰগোহাঁই
দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

*"বিহুৰে বিৰিণা পাতে সমনীয়া*
*বিহুৰে বিৰিণা পাত*
*বিহু থাকে মানে বিহুকে বিনাবা*
*বিহু গ'লে বিনাবা কাক।"*

অসমৰ জাতীয় উৎসৱ বিহু হৈছে প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ স্পন্দন। বিহু মানেই অসমীয়াৰ প্ৰাণ, হিয়াৰ আমঠু। লোক সংস্কৃতিৰ উৎস হ'ল কৃষিভিত্তিক। প্ৰাক্ ঐতিহাসিক যুগৰ পৰাই মানুহে জীয়াই থকাৰ সংগ্ৰাম কৰি আহিছে। কঠোৰ জীৱন সংগ্ৰামত মানুহে প্ৰকৃতিৰ শক্তিৰ সৈতে ফেৰ মাৰিব নোৱাৰি প্ৰকৃতিক বশীভূত কৰাৰ বাবে নৃত্য-গীত, পূজা-পাতলৰ আশ্ৰয় ল'লে। বিহু অসমৰ উমৈহতীয়া উৎসৱ যদিও অসমৰ প্ৰায় জনগোষ্ঠীয়ে বিভিন্ন নামেৰে বিহু পালন কৰা দেখা যায়। কচাৰীসকলৰ 'বহুৱা নাচ', বড়োসকলৰ 'বৈচাগু' আহোমসকলৰ 'চাংকেন' দেউৰী আৰু তিৱাসকলৰ 'বিচু' মিছিং সকলৰ 'আলি-আয়-লৃগাং' আদি। এই আটাইবোৰ উৎসৱৰ মূলতে আছে কৃষিভূমিৰ উৰ্বৰতা। বৈচিত্ৰময় অসমত বাপতি সাহোন বিহুটিৰ জৰিয়তে অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় সুদৃঢ় হৈছে।

অসমত কৃষিভিত্তিক উৎসৱ বিহু জৰিয়তে অসমীয়া জাতিয়ে নিজৰ জাতীয় পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। লগতে ঐক্য-সম্প্ৰীতিৰ এনাজৰীডাল মজবুত কৰি আহিছে। বিহুগীত, বিহুনাম, হুচৰি আদি সংস্কৃতিৰ চোতালত অপূৰ্ব অৱদান। যাৰ জৰিয়তে বিভিন্ন জাতি-উপজাতিৰ সমষ্টি অসমীয়া জাতিয়ে একেখন আকাশৰ তলত ঐক্যতা বজাই ৰাখিছে। ই অসম তথা অসমীয়াৰ গৌৰৱ। বিহু এটি পৰম্পৰা নহয়, ই সংস্কৃতিৰ মূল চানেকি, অসমীয়াৰ প্ৰেৰণা। বিহু সমন্বয় তথা শান্তি আৰু ঐক্যৰ প্ৰতীক।

অসমত অতীজৰে পৰা কৃষি কৰ্মক লৈ বহু লোক-বিশ্বাস আছিল। অতীতৰে পৰা ককা-আইতাকহঁতে কৈ আহিছে বিহুৰ স'তে খেতি-মাটিৰ উৰ্বৰতাৰ সম্বন্ধ আছে। ডেকা-গাভৰুৱে মুকলি পথাৰত গৈ প্ৰেমৰ গীতেৰে আৰু নৃত্যৰে পুৰুষ স্বৰূপ আকাশক আৰু নাৰী স্বৰূপ প্ৰকৃতিক বৰযুগেৰে মিলন ঘটাই বসুমতীক শস্য সম্ভৱা কৰি তোলে। এই কামনাৰে অসমীয়া জাতিয়ে উৎসৱ পালন কৰিছিল। বস্তুতেই কয় সংস্কৃত 'বিষুৱত' শব্দৰ পৰা বিহু শব্দৰ উৎপত্তি হৈছে। আন কিছুৰ মতে বিহু টাই ভাষাৰ 'বৈ (উপাসনা) আৰু হু (গৰু) এই শব্দ দুটাৰ পৰা আহিছে।

অসমত সামাজিক গাঁথনিৰ দৰেই বিহুত আৰ্য, অষ্ট্ৰিক, আলপাইন, মংগোলীয় আদি সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে আৰু প্ৰত্যেক সভ্যতাৰে অৱদান সংমিশ্ৰণত হৈ পৰিছে। মানুহে কৃষিক মূল জীৱিকা হিচাপে লোৱাৰ পৰাই কৰা বিভিন্ন নীতি-নিয়ম, লোক-বিশ্বাস



আদিৰ দ্বাৰা কালক্ৰমত বিহু উৎসৱত পৰিণত হয়। প্ৰথম অৱস্থাত বিহুত ডেকা-গাভৰুৱে মিলি মুকলি আকাশৰ তলত অৰ্থাৎ গছৰ তলত বিহু কৰিছিল। পিছলৈ আহোম ৰজা ৰুদ্ৰ সিংহই বিহুক ৰংঘৰৰ বাকৰীলৈ নি শ্ৰেষ্ঠ নৃত্যকাৰী দলক পুৰস্কাৰ দিয়া ব্যৱস্থা প্ৰচলন কৰিলে। ক্ৰমে বিহুৱে অনুষ্ঠানিকতা পালে। তদুপৰি হুঁচৰি গাই মুৰ দোৱাই আশীৰ্বাদ লোৱাৰ পৰম্পৰাও আৰম্ভ হয়। বৰ্তমান বিহু মঞ্চ হ'ল। পথাৰত বিহু বা আঁহত গছৰ তলৰ বিহু এতিয়া যেন সাধু কথা হ'ল। বছৰৰ ভিন ভিন ঋতুৰ লগত কৃষিৰ সৈতে সংগতি ৰাখি অসমীয়া জাতিয়ে তিনিটা বিহু পালন কৰে। কৃষিৰ আৰম্ভণিতে অৰ্থাৎ চ'ত আৰু ব'হাগৰ সংক্ৰান্তিত ব'হাগ বিহু বা ৰঙালী বিহু পালন কৰে। যেতিয়া ৰোৱা ধান ঠন ধৰি উঠাৰ সময় হয় অৰ্থাৎ আহিন আৰু কাতিৰ সংক্ৰান্তিত কাতি বিহু বা কঙালী বিহু আৰু খেতি চপাই সোণগুটিৰে ভঁৰাল উপচি পৰা সময়ত অৰ্থাৎ পুহ আৰু মাঘৰ সংক্ৰান্তিত মাঘ বিহু বা ভোগালী বিহু পালন কৰা হয়। এই তিনি বিহুৰ ভিতৰত ব'হাগ বিহু সাত দিনীয়াকৈ পালন কৰা হয়। সাতদিনৰ প্ৰত্যেক দিনৰে সুকীয়া সুকীয়া নাম আছে। সেইবোৰ হৈছে - গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, কুটুম বিহু, চেনেহী বিহু, চেৰা বিহু, মেলা বিহু।

কৃষি প্ৰধান ৰাইজৰ প্ৰধান অৱলম্বন হৈছে হালৰ গৰুহাল। গৰুহাল সুস্থ হৈ থাকিলেহে পথাৰৰ মাটি চহাই খেতি কৰিবলৈ সুবিধা হয়। সেয়েহে চ'ত আৰু বহাগৰ সংক্ৰান্তিৰ দিনা অসমীয়াই গৰু বিহু পালন কৰে। গৰুহালক পুৱাই মাহ-হালধী দি, লাও-বেঙেনা, দীঘলতি, মাখিয়তী আদিৰে গা ধুৱাই নতুন পঘা তৈয়াৰ কৰি সেই পঘাৰে বন্ধা হয়। লোক বিশ্বাস মতে এনে কৰিলে মহ, মাখি কমকৈ পৰে। পৰম্পৰা মতে গৰু বিহুৰ দিনাই অসমীয়া মানুহে ১০১ বিধ শাকেৰে ৰাতিপুৱাৰ ভাতসাজ খায়। তাৰে কেইবিধমান হ'ল - মাটি কাঁদুৰী, কণা শিমলু, দুৰৰি বন, টেঁকীয়া শাক, টেঙেচি টেঙা, কেঁহৰাজ, মানিমুণি, শুকলতি, ভেঁকুৰি তিতা, মছন্দৰী, ব্ৰাহ্মী শাক, জিলমিল শাক, লাও-বেঙেনা, মাহ-হালধী, কেৰেলা, পিপলি আদি। ইয়াৰ উপৰিও অমৰলি টোপ বিহুত খোৱাটোও এক পৰম্পৰা। বসন্ত ঋতুত প্ৰকৃতিয়ে বৰণ সলায়। নাহৰ, তগৰ, কপৌ আদি ফুলে লগতে গছ লতিকাত কুঁহিপাত মেলি ফলে-মূলে জাতিষ্কাৰ হৈ পৰে। গৰু বিহুৰ পিছদিনা অৰ্থাৎ বহাগৰ পহিলা তাৰিখে মানুহ বিহু। নামনি অসমত ইয়াক 'বৰ দোমাহী' বুলি কোৱা হয়। মানুহ বিহুৰ দিনা সকলোৱে গা ধুই সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। বিহুত আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ মাজত উপহাৰ আদান-প্ৰদান কৰা হয়। লগতে বিহুৱান অৰ্থাৎ গামোচাখনেৰে প্ৰিয়জনৰ লগতে জ্যেষ্ঠজনক শ্ৰদ্ধা, সম্মান আৰু মৰম যচা হয়। মানুহ বিহুৰ দিনাই হুঁচৰি আৰম্ভ হয়। ল'ৰা, ডেকা-গাভৰু, বুঢ়া মিলি হুঁচৰি দল গঠন কৰি ঘৰে ঘৰে গৈ ঢোল, তাল, পেঁপা, গগণা আদি বজাই বিহু নাম গায়, এয়াই হুঁচৰি। প্ৰথমে গাঁৱৰ ৰাইজ একগোট হৈ নামঘৰত তামোল-পাণ আগবঢ়ায়। তাৰ পিছত গাঁৱৰ গাঁওবুঢ়া বা মুখিয়ালৰ ঘৰতে হুঁচৰি আৰম্ভ কৰে। হুঁচৰি গোৱাৰ পিছত গৃহস্থইও তামোল-পাণ, গামোচা আদি যথাসাধ্য অৰিহণা আগবঢ়াই আঠুলৈ আশীৰ্বাদ গ্ৰহণ কৰে। ৰাইজেই আশীৰ্বাদ দি গায়-

*"এটা বাটিত নহৰু, এটা বাটিত পনৰু
এটা বাটিত খুতুৰা শাক
মুৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ
গৃহস্থ কুশলে থাক।*

বিহুৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেল-ধেমালীও কৰা হয়। যেনে-কণী যুঁজ, মহ যুঁজ, কুকুৰা যুঁজ, বুলবুলি যুঁজ ইত্যাদি। ৰঙালী বিহুৰ তৃতীয় দিনা গোসাঁই বিহু। সেই দিনা গাঁৱৰ ৰাজহুৱা নামঘৰত নাম-প্ৰসঙ্গ হয়। এনেদৰে এটা এটাকৈ সাত বিহুৰ নিয়ক সমূহ পালন কৰি বিহুৰ সামৰণি মাৰে। যদিও বৰ্তমান অসমৰ ইমূৰে সিমূৰে গোটেই বহাগ মাহ জুৰি বিহু পালন কৰা হয়। অৱশ্যে ই এতিয়া মঞ্চস্থ।

বহাগ অসমৰ জন মানসৰ নিৰ্ভুল দাপোন। অসমবাসীৰ সমগ্ৰ সত্তাত ব'হাগৰ ৰূপ, ৰস, সুবাস বিলীন হৈ আছে। ব'হাগৰ সৈতে যেনেকৈ প্ৰেমৰ সম্পৰ্ক আছে ঠিক তেনেকৈ অসমৰ কৃষকসকলৰো আৱেগ অনুভূতি জড়িত আছে। অসমৰ জাতি-জনজাতিৰ বাবে ব'হাগ উৰ্বৰা পথাৰ। এই পথাৰতেই সমন্বয়ৰ গজালি মেলে। অতীতৰে পৰা বৰ্তমানলৈকে সময়ৰ লগত বহাগ বিহু আদৰা আৰু উপভোগ কৰা কিছু কিছু পৰিৱৰ্তন হৈ আহিছে যদিও বহাগ বিহুৰ মাদকতা আৰু সজীৱতা একেই আছে। আজিও বসন্তৰ সুবাসৰ দ্বাৰা সুবাসিত হৈ পৰে মন-প্ৰাণ। জীৱনৰ সুখ-দুখ, প্ৰেম-বিৰহৰ আবেগেৰে ভৰা গীতে জীৱনত দিয়ে জীৱনৰ মাদকতা।

*"বাপতি সাহোন বিহুটি আমাৰ
অসমীয়া জাতিৰ দাপোন
জাতি-জনজাতি অসমীৰ সন্তান
সকলো আমি আপোন.... ।"*

এইদৰে বিহুগীতসমূহে সমন্বয়ৰ, একতাৰ এনাজৰী আৰু মজবুত কৰি তোলে। সেয়ে আমি ক'ব পাৰোঁ ব'হাগ বিহুৱে বৰ্ণিল সংস্কৃতিক অধিক শক্তিশালী কৰে। যি সময়ত সিংসা ব্যভিচাৰ আদিয়ে অসমক ঢাকি ৰাখিছে, এনে সময়ত ব'হাগ বিহুৱে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ব'হাগৰ সুবাসত ভেদাভেদ পাহৰি সমন্বয়ৰ সেতু অধিক মজবুত কৰি অসমৰ কৃষ্টিৰ পথাৰ উন্নত কৰি ৰাখিছে। এই বিহুৰ দ্বাৰাই যে অসমৰ মান ৰক্ষা হৈ আছে বিহুগীতসমূহত প্ৰমাণ পোৱা যায়।

❑❑❑



# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

পূজাশ্ৰী চেতিয়া
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

"এজন ল'ৰাক শিক্ষা দিয়া মানেই এজন পুৰুষক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানেই হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।"

পণ্ডিত জৱাহৰলাল নেহৰুৰ এই কথাষাৰ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰযোজ্য। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই শিক্ষা ব্যৱস্থাৰ লগত বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈছে মহিলাসকলৰ শিক্ষা। মহিলাসকলৰ শিক্ষাৰ ওপৰত দেশখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। মহিলাসকল শিক্ষিত হৈ নুঠিলে দেশখন শিক্ষিত হ'ব নোৱাৰে। মহিলাসকল শিক্ষিত হ'লেহে তেওঁলোকৰ মাধ্যমেৰে সমাজৰ আন এটা গোষ্ঠীলৈ শিক্ষা সম্প্ৰসাৰিত হ'ব। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, "শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা দুৰ কৰিব লাগিব। যেতিয়ালৈকে আমাৰ প্ৰকৃত মাতৃ শিক্ষয়িত্ৰী সৃষ্টি নহয় তেতিয়ালৈকে আমি যিমানেই স্কুলত শিক্ষা নিদিও লাগিলে, শিক্ষা ফলপ্ৰসু হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰো।" মহিলাসকলৰ সমাজৰ এক অবিচ্ছেদ্য অংগ।

নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা এই বিষয়টো সাম্প্ৰতিক সময়ত বিতৰ্ক হ'ব নালাগে। পৰিয়াল এটা সুচাৰুৰূপে পৰিচালনা কৰাত এগৰাকী নাৰীৰ শিক্ষাৰ ভূমিকা অপৰিসীম। শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটা সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। এগৰাকী শিক্ষিতা মহিলাৰ চিন্তাধাৰা, ভাৱভংগী যিকোনো দিশতে এগৰাকী অশিক্ষিতা মহিলাতকৈ বহুগুণে ওপৰত। এগৰাকী শিক্ষিতা মহিলাৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতা বহু বেছি। যিকোনো বিষয় সমালোচনাৰ দৃষ্টিভংগীৰে ফঁকিয়াই চাই নিজে সিদ্ধান্ত ল'ব পাৰে। এগৰাকী শিক্ষিতা নাৰীয়েহে দৈনন্দিন জীৱনৰ ঠেক পৰিসৰ ভাঙি চুৰমাৰ কৰি দিব পাৰে। এগৰাকী শিক্ষিত নাৰীয়ে দেশৰ আইন কানুনবোৰ ভালদৰে বুজিব পাৰে। নাৰী জাগৰণ তথা নাৰী সৱলীকৰণো শিক্ষিত মহিলাই আনিব পাৰে। দৰিদ্ৰতা দূৰীকৰণ, স্বাস্থ্য সমতা, সুস্থিৰ অৰ্থনীতি, পুষ্টিহীনতা, মহিলা সৱলীকৰণ আদি বিভিন্ন দিশত নাৰী শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

বৰ্তমান সময়ত মহিলা বা নাৰীক মানসিক আৰু শাৰীৰিকভাৱে সবল হোৱাৰ লগতে শিক্ষিত হোৱাটো অতি বাঞ্ছনীয়। সকলো নাৰীকে শিক্ষিত কৰি তোলাটো এটা গুৰুত্বপূৰ্ণ বিষয়। ❑❑❑

## আধৰুৱা সপোন

মিনালী বড়া
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

যন্ত্ৰণাই হেঁচি ধৰা মোৰ বুকুখন
তোৰ অকণমাণ সহাঁৰিয়েই আছিল সাহস
দিছিল বাস্তৱৰ লগত খোজত খোজ মিলাই আগবাঢ়ি বলৈ
কিন্তু...
নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি নিলে সকলো
অজুৰি নিলে হাঁহিমুখৰ উৎফুল্লিত বাসনা।
বিচৰাতো নাছিলো আকাশৰ জোন তৰা
মাত্ৰ বিচাৰিছিলোঁ কিছু সময়
কিন্তু.... বিচাৰিলেই জানো সকলো পায়।
মোৰ আশা আৰু হেঁপাহ
কাল্পনিক সপোন হৈয়ে ৰ'ল।

## প্ৰেমৰ বৰষুণ

পূজাশ্ৰী চেতিয়া
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

বৰষুণ মই ভালপাওঁ
তাতোকৈ বেছি ভালপাওঁ
সেই বৰষুণ জাকত নিজকে বিলীন কৰি
বৰষুণৰ সেই সুকীয়া আমেজ বিচাৰি
নিজকে আপোনাৰ প্ৰেমত বিলীন কৰি
সপোনৰ দেশত উটি-ভাঁহি ফুৰাৰ যি
মাদকতা
সেয়া জানো মই শব্দৰে প্ৰকাশ কৰি
আপোনাক বুজাব পাৰিম?
হয়তো মই বুজালেও আপুনি নুবুজিব।
কাৰণ মোৰ দৰেতো আৰু আপুনি
মোৰ প্ৰেমত বিলীন নহয়
মোৰ এই একপক্ষীয় প্ৰেমৰ
সাক্ষী কেৱল এই বৰষুণজাক আৰু মই।

□□□



## ফাগুন

মুনমী চেতিয়া
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

তই ফাগুন বৰ বলিয়া
কি ভাৱেৰে তই লঠঙা আজাৰবোৰৰ
পাত সৰাই বৈ আহ
এজাক চেঁচা বতাহ হৈ
তোৰ বা লাগিলেই গাভৰুবোৰে বৰ আনন্দ পাই
চুলিবোৰ সেওঁতা মেলি উৰে
আৰু বৈ থাকো তোৰ বা লাগি
সেউজ হ'বলৈ সেই যে লঠঙা গছবোৰ।
ফাগুন তই বৰ আকলুৱা
তই নাহিবি ফাগুন
তই আহিলে গাওঁবোৰ
চখিন হৈ পৰে
পথাৰ বোৰেও যেন
বিচাৰি ফুৰে যেন এক
কেঁচা যৌৱনৰ গোন্ধ
তই ফাগুই নাহিবি
নাহিবি তই ফাগন।

□□□

## প্ৰতীক্ষাৰত

উপাসনা গগৈ
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

বৰ হেঁপাহেৰে সজাইছোঁ এটি ঘৰ
মোৰ বুকুৰ মাজুলীত
কবিতাৰ ঘৰ।
আহিবা কেতিয়াবা ক্ষন্তেক জিৰাবলৈ
যেতিয়া তুমি নিসংগ হবা
মই তোমাৰ সংগী হ'ম।

মোৰ হৃদয়ৰ আলিয়ে-গলিয়ে ফুৰাম তোমাক
হতাশাই যদি জুৰুলা কৰে
তোমাৰ হৃদয়ত আশাৰ বীজ সিঁচিম;

দুচকুত এন্ধাৰ নামি আহিলে
আহিবা তেতিয়া,
পোহৰাম তোমাৰ জীৱনৰ বাটত
মোৰ চকুৰ জ্যোতিৰে□□□

## শান্তি

নিতুমণি বসুমতাৰী
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

কিয়নো লভিলো জনম এই ধৰণীত
দেখিছোঁ চাৰিওদিশে কেৱল আতংক
শান্তি বোলা অভিধানৰ যেন কোনো
মূল্যয়ে নাই,
প্ৰথমে মেঘৰ গুম-গুমনি
তাৰ পাছত প্ৰৱল শিলাবৃষ্টি।
নৱ ৰোপিত সেউজীয়া পথাৰ খনিয়ে
সজাল ল'বলৈ ধৰিছিলহে মাত্ৰ
কি দোষ আছিল সিহঁতৰ
শিলাবৃষ্টিয়ে লগতে আনিলে বজ্ৰপাত
সকলো মৰহি শুকান-প্ৰাণহীন ঘাঁহ
হৈ হে ৰ'ল।
দুদিনৰ আগতে ধৰণীৰ সেউজীয়াবোৰক
অচিন পোকে খাই লঠঙা কৰি পেলাইছিল
অত্যন্ত ভয়াবহ এক পৰিস্থিতি
এই আতংকৰ সমাপ্তি ঘটিছিলহে মাত্ৰ
আকৌ আহিল এই বিধ্বংসী শিলাবৃষ্টি
ক'ত গ'ল শান্তি?
কোনে পাৰিব উভতাই আনিবলৈ
কোনে পাৰিব সৃষ্টিৰ আৰম্ভণিৰ দৰেই
পুনৰ উত্থান কৰিবলৈ❑❑❑

## অপেক্ষা তোমালৈ

জিতামণি ফুকন
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

বহু দিন হ'ল
তুমি মোৰ পৰা আঁতৰি যোৱা
কিন্তু, এতিয়াও নৈখনৰ পাৰত
বেলিৰ বিদায় পৰত
মই অপেক্ষা কৰি থাকোঁ
তোমালৈ......
বাৰে বাৰে নৈৰ বুকুত বিচাৰি ফুৰোঁ
সেউজীয়া সপোনবোৰ
কিন্তু নাই,
বিচাৰি নাপাওঁ এটিও
সকলোবোৰ চাগে ভটিয়াই গ'ল
বহুদূৰলৈ
লাহে লাহে আন্ধাৰ এসোপা দি
বেলি গুচি যায়,
দুখৰ বোজাটিৰ সৈতে
মইও উভতি আহোঁ ঘৰলৈ
সেই একেটি আশা মনত লৈ।
এনেকৈয়ে,
সদায় অপেক্ষা কৰি থাকোঁ জানা
বেলিটি অহাৰ দৰে
তুমিও উভতি আহিবা বুলি
মোৰ জীৱনলৈ❑❑❑



## আকৌ এটি নতুন পুৱা বিচাৰি

সুস্মিতা শ্যাম
চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

পূৱেদি ৰিঙিয়াই আহিছে বেলিটি
এটি নতুন পুৱা লৈ
লগত এটি নতুন দিন, নতুন হেঁপাহ
আৰু এটি নতুন সপোন লৈ।
সৌ পাহাৰৰ কোণত লাজুক লাজুকভাৱে
মিচিক-মাচাক কৰি
সি ৰিঙিয়াই আহিছে,
শাৰদীয় পুৱাৰ ঘন কুঁৱলীৰে
আৱৰি থকা পথত জোনাক ঢালি দি
মুকলিও কৰি দিছে।
এতিয়াচোন, ৰাতিৰ আন্ধাৰৰ দৰে
খেপিয়াবলৈও দৰকাৰ নাই।
উজাগৰী নিশা
সীমাহীন উদাস ভৰা আৱেগ
সাজি নাই তুমি কাষত,
আছে মাথোঁ তোমাক পোৱাৰ হেঁপাহ
এবুকু সপোন সাচি আগুৱাই যাব বিচাৰো
কিন্তু কি কৰোঁ, নেৰে পিছে অতীতে
পৰা নাই যাব।
ৰৈ যাওঁ বাৰে বাৰে
পাছলৈ ঘূৰি আকৌ দেখা পাওঁ
সেই চকুলো বোৱা অতীত।
অতীতে পিছ হোঁহকিয়াই যদিল
পাছলৈ ঘূৰি চোৱাৰ তাত
কোনো অৰ্থ নাই।
যাবলৈ দিয়া যি গ'ল
সি আৰু উভতি নাহে।
পুৱাৰ ৰদালিক অনুকৰণ কৰা
চাবা, তাৰ দৰেই প্ৰতিটো
পুৱাৰ আৰম্ভণি, পোহৰেই হ'ব।
দিনটোৰ ভাগৰবোৰ সামৰি
চকুলো বন্ধ কৰি,
এতিয়া যি অনুভৱ, সেয়া
সময় যাব, আহিব আকৌ
এটি নতুন পুৱা, এটি নতুন সুবাস
❑❑❑

## দুটি কৱিতা

ইয়াছিনা বেগম
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

### জীৱন

জীৱন এটি ফুলৰ পাহিৰ দৰে
ভাঙিব বিচাৰিলে এক মূহুৰ্ত্ততে অন্ত;
ৰাখিব বিচাৰিলে ফুলৰ দৰে
মনৰ সুকোমল এক অনুভুতি।
চাবও নোৱাৰো ধৰিবও নোৱাৰো
নদীৰ সোঁতৰ লগত জীৱন সময় বাগৰি যাব।
সুখে-দুখেৰে ভৰা এই জীৱন
সহিব পাৰিলে আনন্দৰ মৌচাক যেন
জীৱন এটি ফুলৰ পাহিৰ দৰে
ভাঙিব বিচাৰিলে এক মূহুৰ্ত্ততে অন্ত;
ৰাখিব বিচাৰিলে ফুলৰ দৰে।

□□□

### মা

অ' মোৰ মা
কোলাত তুলিলৈ ডাঙৰ কৰা
ৰজা-ৰাণী, আইনাম-বিয়ানাম গাই
মোৰ কপালত হাত বুলাই, গভীৰ নিদ্ৰাত
শুৱাই দিয়া।
তুমি মোৰ মৰমৰ মা।
মা
মই পতা ঠেহ-পেছবোৰ
তুমি দিয়া সেই মৰমবোৰ
অ' মা
সকলো সময়তে যে জীৱন বাটত
আগুৱাই যাবলৈ সাহস দিয়া
তুমি মোৰ মৰমৰ মা।
মা
ভৱিষ্যত জীৱনত এজন সৎ ব্যক্তি হম বুলি
আজিয়েই দিলোঁ মই তোমাক প্ৰতিশ্ৰুতি
মা
সদায় যেন থাকা তুমি মোৰ লগত
এইয়ে ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা।

□□□




## মায়াবিনী ৰাতি

ৰিতুমণি ফুকন
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ


শীতৰ সেমেকা দুভাগ ৰাতি
শান্ত সৰোবৰৰ নিস্তব্ধ পাৰত
কোনে আহি কৰিলে কোলাহল।
দূৰ দিগন্তত উৰি ফুৰা
শেৱালী হাঁহজাকে লৈছেহি
আহি তাতে জিৰণি।
কুঁৱলীয়ে চাৰিওফালে ছানি ধৰিছেহি
নিয়ৰৰ টোপালে সেমেকাই তুলিছে
শুকাই যোৱা বননিক
শান্ত সৰোবৰৰ ফটিক পানীত
জোন-তৰাই নিজকে চাই হাঁহিছে
তাকে দেখি জোনাকী পৰুৱাই
সুৱলা কণ্ঠৰে গীত জুৰিছে।
শিলে শিলে প্ৰেমৰ আলাপ কৰিছে
মৎস্যৰাজে নৌকাবিহাৰ কৰিছে,
শান্ত সৰোবৰক অশান্ত কৰি
জল কোঁৱৰ কুঁৱৰীয়ে
প্ৰেমৰ খেলা পাতিছে।


□□□



প্ৰবাসী অসমীয়া সমাজ আৰু অসমীয়া ভাষা-সংস্কৃতি চৰ্চা


এনেয়ো উতলা হিয়া
অভিজিৎ শইকীয়া



আধাৰ
সংখ্যা - ৬
SONARI COLLEGE


আধাৰ
SONARI COLLEGE


গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা
আধাৰ
সংখ্যা - ৪
১১ এপ্ৰিল, ২০১৫


আধাৰ
সংখ্যা - ৩
SONARI COLLEGE


আধাৰ
সংখ্যা - ৫
SONARI COLLEGE



মুদ্ৰণ ঃ ইষ্টাৰ্ণ অফছেট প্ৰিণ্টাৰ্ছ, সোণাৰি